# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-03-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৫৪ সংখ্যক উত্তৰ-পূব  আৰক্ষী একাডেমীৰ উপ আৰক্ষী অধীক্ষক প্ৰশিক্ষাৰ্থীৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰি উত্তৰ-পূব খণ্ডত বৰ্তমানৰ দৰেই অনাগত দিনত  শান্তিৰ পৰিৱেশ বাহাল থকাটো সুনিশ্চিত কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা দোহাৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে  তেওঁৰ ভাষণত কয়, যে ১৯ গৰাকী মহিলা বিষয়াকে ধৰি প্ৰশিক্ষণ সমাপ্ত কৰা অসমৰ মুঠ ৬২ গৰাকী বিষয়াৰে ৰাজ্যৰ জিলা আৰু সমজিলা পৰ্যায়ত নিৰাপত্তাৰ দিশটো উন্নত কৰাৰ উপৰি জনঅনুকূল আৰক্ষী ব্যৱস্থা গঢ়ি তুলিব পৰা যাব। ড০ শৰ্মাই আজি এই প্ৰশিক্ষণ পাঠ্যক্ৰম সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৭০ গৰাকী উপ-আৰক্ষী অধীক্ষকক শুভেচ্ছা জনায়। তেওঁ বিষয়াসকলক জনসাধাৰণৰ প্ৰয়োজনীয়তাৰ প্ৰতি সংবেদনশীল হৈ থাকি অপৰাধৰ বিৰুদ্ধে সামূহিক যুঁজত অংশীদাৰ হ'বলৈ আহ্বান জনায়।

এই দিক্ষান্ত সমাৰোহত অংশগ্ৰহণৰ পাছতে মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বৰ্নিহাটৰ প্ৰদূষণ ৰোধ কৰাৰ ক্ষেত্ৰত অসম আৰু মেঘালয় চৰকাৰৰ দায়বদ্ধতা, ৰাজ্য দুখনৰ মাজৰ সম্প্ৰতি চলি থকা সীমান্ত সমস্যা সমাধানৰ প্ৰচেষ্টাৰ বিষয়ে অৱগত কৰে।

০০০০০

সমগ্ৰ ৰাজ্যতে অহা ১ এপ্ৰিলৰ পৰা ১৭ জুলাইলৈকে স্বাস্থ্য মেলা অনুষ্ঠিত হব। ইয়াৰ বাবে ৰাজ্যৰ স্বাস্থ্য বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ধেমাজি জিলাতো ৬৫ খন গাওঁ পঞ্চায়ত আৰু ২ খন পৌৰসভাত একোখনকৈ স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব।  ৰাজ্যৰ স্বাস্থ্য মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সেইদিনা ধেমাজিৰ জামুগুৰি পাঁচআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত হ'বলগীয়া স্বাস্থ্য মেলা মুকলি কৰিব। ধেমাজি জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ কুলেন চন্দ্ৰ বৰগোহাইয়ে আজি এখন সংবাদমেলত এইকথা জানিবলৈ দিয়ে। এই কাৰ্যসূচীত ধেমাজি জিলা অভিভাৱক মন্ত্ৰী প্ৰশান্ত ফুকনৰ লগতে সাংসদ প্ৰদান বৰুৱাই অংশগ্ৰহণ কৰাৰ কথা। এই স্বাস্থ্য মেলাত জিলাৰ শিক্ষা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, সমাজ কল্যান, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহযোগত আয়োজন কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে বুলি জিলা অতিৰিক্ত আয়ুক্ত ড০ সঞ্জীৱ কুমাৰ ফুকনে জানিবলৈ দিছে। স্বাস্থ্য মেলাৰ জৰিয়তে স্বাস্থ্য বিভাগৰ বিভিন্ন চৰকাৰী আঁচনিৰ লগতে সংক্ৰামক ৰোগ চিনাক্তকৰণ, ৰোগ পৰীক্ষণ, খাদ্যাভ্যাস, শৰীৰ চৰ্চা, যোগাভ্যাস আদিৰ সন্দৰ্ভত জনসাধাৰণক অৱগত কৰা হ'ব।

০০০০০

তথ্য প্ৰযুক্তি, বিজ্ঞান আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি ৰাজ্য চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ অধীনত মাজুলী জিলাত নিৰ্মিয়মান জিলা বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ চৌহদ পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্ত কাৰ্যালয়ত প্ৰশাসনিক বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈ ৰাজহ বিভাগৰ বিভিন্ন কাম-কাজৰ পৰ্যালোচনা কৰে। তেওঁ লগতে জিলাখনত বান প্ৰতিৰোধৰ ক্ষেত্ৰত দুৰ্যোগ ব্যৱস্থাপনাৰ আগতীয়া প্ৰস্তুতি আৰু অন্যান্য উন্নয়নমূলক কাৰ্যৰ সন্দৰ্ভতো বিস্তৃতভাৱে আলোচনা কৰে।

০০০০০

সমাজকল্যাণ বিভাগৰ উদ্যোগত আজি গোলাঘাট জিলাৰ পুলিবাগানৰ সদৌ দৈয়াং মিচিং ৰংগমঞ্চত মহিলা আৰু কন্যা শিশুসকলৰ শিক্ষা, সুৰক্ষা, নিৰাপত্তা আৰু সৱলীকৰণৰ বিষয়ক লৈ এখন জন সজাগতা সভা অনুষ্ঠিত হয়। সভাত অংশগ্ৰহণকাৰীসকলৰ মাজত পৰম্পৰাগত খেল-ধেমালি, মুকলি কুইজ, চিত্ৰাংকণ প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। তদুপৰি জনসাধাৰণৰ সুবিধাৰ্থে শিক্ষা, সুৰক্ষা আৰু পৰিপুষ্টি বিষয়ক বাৰ্তা বুথ আৰু মহিলা আৰু কন্যা শিশুৰ ৰক্তহীনতা চিনাক্তকৰণ শিবিৰো আয়োজন কৰা হয়। অনুষ্ঠানত মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগ মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ উপৰি জিলা আয়ুক্ত চন্দন জ্যোতি ঠাকুৰ, ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য কুমুদ কছাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

অসম বিজ্ঞান সমিতি ধেমাজি শাখাৰ উদ্যোগত আৰু ধেমাজি উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কেচুসাৰ প্ৰস্তুতকৰণ, গোটা আৱৰ্জনা ব্যৱস্থাপনা আৰু বৰষুণৰ পানী সংৰক্ষণ বিষয়ক জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কৰ্মশালাৰ আজি সামৰণি পৰে। ভাৰত চৰকাৰৰ পৰিৱেশ বিজ্ঞান আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ পৃষ্ঠপোষকতাত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সৌজন্যত আয়োজিত কৰ্মশালাত জিলাখনৰ ৪৫ খন বিদ্যালয়ৰ ৯০ গৰাকী শিক্ষকে অংশগ্ৰহণ কৰে।

০০০০০

সমাপ্ত